জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮২২/২০২০

**ঐতিহাসিক অসম আন্দোলনৰ শ্বহীদসকলৰ পূণ্য স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ হ'বলগীয়া শ্বহীদ স্মাৰক আৰু শ্বহীদ উদ্যানৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে**

**শ্বহীদ দিৱসৰ পৱিত্ৰ ক্ষণত উন্মোচন হ'ল 'উক্‌মুকনিৰ পৰা উদ্‌গীৰণলৈ' শীৰ্ষক অসম আন্দোলনৰ তথ্যকোষৰ প্ৰথম খণ্ড**

# শ্বহীদসকল হ'ল প্ৰকৃত জাতীয় নায়ক ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** শ্বহীদ দিৱসৰ পৱিত্ৰ ক্ষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ঐতিহাসিক অসম আন্দোলনৰ শ্বহীদসকলৰ পূণ্য স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ হ'বলগীয়া শ্বহীদ স্মাৰক আৰু শ্বহীদ উদ্যানৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰাৰ লগতে খানাপাৰস্থিত অসম চুক্তি ৰূপায়ণ বিভাগৰ কাৰ্যালয় প্ৰাঙ্গনত ঐতিহাসিক অসম আন্দোলনৰ তথ্য সামৰি চাৰিটা খণ্ডত প্ৰকাশ পাবলগীয়া 'উক্‌মুকনিৰ পৰা উদ্‌গীৰণলৈ' শীৰ্ষক 'অসম আন্দোলনৰ তথ্যকোষ'ৰ প্ৰথম খণ্ড আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰে। মুখ্যমন্ত্ৰী সোণোৱালে শ্বহীদ দিৱস উপলক্ষে আজি পশ্চিম বৰাগাঁৱত আয়োজিত শ্বহীদ স্মাৰক আৰু শ্বহীদ উদ্যান নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণিৰ পূৰ্বে ঐতিহাসিক অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে খানাপাৰাৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ পূৰ্বেও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

শ্বহীদ দিৱস উপলক্ষে অসম চুক্তি ৰূপায়ণ বিভাগৰ কাৰ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শ্বহীদসকলৰ মহান ত্যাগক সন্মান জনাই অসমৰ ভৱিষ্যৎ আমি নিৰ্মাণ কৰিব লাগিব। বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা বৃহত্তৰ অসমীয়া সমাজখনৰ বাবে কাম কৰিব লাগিব। শ্বহীদসকলৰ সপোন দিঠকত পৰিণত কৰাৰ বাবে, অসমীয়া জাতীয় জীৱনৰ মান-সন্মান, স্বাভিমান ৰক্ষা কৰি চৰকাৰখনে দিনে-নিশাই কঠোৰ পৰিশ্ৰম কৰিব লাগিব। শ্বহীদসকলৰ চৰম ত্যাগৰ প্ৰতি সন্মান জনাই অসমৰ ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি শক্তিশালী কৰাৰ দিশত প্ৰতিগৰাকী অসমীয়াই নিষ্ঠা সহকাৰে দায়িত্ব পালন কৰিব লাগিব বুলিও তেওঁ কয়। শ্বহীদসকলৰ মহান ত্যাগৰ প্ৰতি সন্মান জনাই সকলোৱে জাতীয় দায়িত্ব পালনৰ বাবে সংকল্পবদ্ধ হ'ব লাগিব। আমাৰ সভ্যতা-সংস্কৃতি আৰু মানৱীয় প্ৰমূল্যবোধ বৰ্তমানৰ প্ৰজন্মৰ সন্মুখত মূল্যাংকন কৰিব লগা হ'লে শ্বহীদসকলক সন্মুখত ৰাখিয়েই জীৱনৰ বাটত অগ্ৰসৰ হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ১০০ বিঘা ভূমি সামৰি শ্বহীদ স্মাৰক আৰু শ্বহীদ উদ্যানৰ নিৰ্মাণ কাৰ্যৰ আৰম্ভ কৰিছে যাতে শ্বহীদসকলৰ ত্যাগ আৰু আদৰ্শৰ বিষয়ে যুগে যুগে নতুন প্ৰজন্মই উপলব্ধি কৰিব পাৰে। শ্বহীদসকলৰ ত্যাগৰ বাবে অসমীয়া জাতিয়ে বিশ্বৰ বুকুত আজি সগৌৰৱেৰে মূৰ তুলি থাকিব পাৰিছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত বিৰাজমান শান্তি-সম্প্ৰতি, সমন্বয় অধিক শক্তিশালী কৰাৰ বাবে আজিৰ এই শ্বহীদ দিৱসৰ পৱিত্ৰ মূহুৰ্তত সকলোৱে সংকল্পবদ্ধ হ'ব লাগিব। ২০১৬ চনত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনভাৰ লোৱাৰে পৰা বীৰ শ্বহীদসকলক আদৰ্শ হিচাপে লৈ বৃহত্তৰ অসমীয়া সমাজখনক ভাৰতবৰ্ষৰ অন্যতম এখন শক্তিশালী সমাজ হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ লৈ আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। পশ্চিম বৰাগাঁৱত নিৰ্মাণ হ'বলগীয়া শ্বহীদ স্মাৰক আৰু শ্বহীদ উদ্যানে দেশ-বিদেশৰ পৰ্যটকসকলক ঐতিহাসিক অসম আন্দোলনৰ বিষয়ে সম্যক প্ৰতিচ্ছবি দাঙি ধৰিবলৈ সক্ষম হ'ব। এই স্মাৰক উদ্যানখনে নৱ প্ৰজন্মৰ মাজত জাতীয় চেতনা আৰু জাতীয় চৰিত্ৰ গঠনত বিশেষ অৰিহনা যোগাব। অসমীয়া জাতীয় জীৱনৰ স্বাভিমান বৃদ্ধি কৰাৰ দিশত এই শ্বহীদ উদ্যানে উল্লেখযোগ্য ভূমিকা পালন কৰিব। অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰসকলে যাতে কোনো কাৰণতে দুৰ্বল হ'ব নোৱাৰে সেই উদ্দেশ্য আগত ৰাখিয়ে বৰ্তমানৰ চৰকাৰখনে কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি সেইবোৰ বাস্তৱায়িত কৰাৰ পদক্ষেপ লৈছে বুলিও তেওঁ কয়। অসমীয়া জাতিটোক সৱল কৰাৰ বাবে বৰ্তমানৰ চৰকাৰখনে দৃষ্টান্তমূলক পদক্ষেপ লৈছে। আগন্তুক দিনত বীৰ শ্বহীদসকলক সন্মুখত লৈয়ে জাতিটোৱে বিশ্ব জয় কৰাৰ দিশত অগ্ৰসৰ হ'ব লাগিব। অসমৰ বীৰ শ্বহীদসকল বীৰত্ব আৰু সাহসৰে মহীয়ান বুলিও তেওঁ কয়। অসমৰ কোনো লোকক যদি জাতীয় নায়ক হিচাপে স্বীকৃতি দিব লাগে তেতিয়া হ'লে নিশ্চিত ভাবে এই বীৰ শ্বহীদসকলে হ'ল জাতীয় নায়ক। তেখেতেসকলেই হ'ল প্ৰকৃতাৰ্থত জাতীয় নায়ক; বীৰত্বৰ প্ৰতীক, শক্তি আৰু ভক্তিৰ প্ৰতীক। শ্বহীদৰ প্ৰতি এইখন চৰকাৰৰ প্ৰকৃত ভক্তি আছে আৰু ভৱিষ্যতেও অক্ষুণ্ণ থকিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। শ্বহীদসকলৰ আদৰ্শৰে একবিংশ শতিকাত অসম শক্তিশালী ৰূপত আগুৱাই যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি স্বাস্থ্য, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজিৰ পৰাই শ্বহীদ স্মাৰক আৰু শ্বহীদ উদ্যানৰ নিৰ্মাণ কাৰ্য লোকনিৰ্মাণ বিভাগে আৰম্ভ কৰিব বুলি কয়। গৱেষণাৰ বাবে অসম আন্দোলন বহু সমলেৰে সমৃদ্ধ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাইজৰ সন্মুখলৈ এই সমল বিলাক অহাটো একান্ত জৰুৰী। মন্ত্ৰীগৰাকীয়ে অসম আন্দোলনৰ তথ্যকোষৰ দ্বিতীয় খণ্ডত চৰকাৰী নথিপত্ৰসমূহৰ ডি-ক্লাচিফাই কৰি প্ৰকাশ কৰি উলিয়ালে গৱেষকসকলে আন্দোলনটোৰ নিৰ্মোহ বিশ্লেষণৰ সুযোগ লাভ কৰিব বুলিও মন্তব্য কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কৃষিমন্ত্ৰী অতুল বৰাই কয় যে অসম আন্দোলনৰ শ্বহীদসকলৰ পূণ্য স্মৃতিত শ্বহীদ স্মাৰক আৰু শ্বহীদ উদ্যানৰ নিৰ্মাণ বহু আগতেই হ'ব লাগিছিল যদিও মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বিশেষ তৎপৰতাত এই শ্বহীদ উদ্যান নিৰ্মাণৰ পদক্ষেপ লোৱা হ'ল। এই পদক্ষেপে অসম আন্দোলনটোক মান্যতা দিয়া কথাটোৱে প্ৰতিফলিত কৰিছে বুলি তেওঁ কয়। অসম আন্দোলনৰ প্ৰকৃত ছবি এখন দিব পাৰিলে আমাৰ নতুন প্ৰজন্মই আন্দোলনটোৰ বিষয়ে ভালদৰে অৱগত হ'ব পাৰিব। অসম আন্দোলনৰ তথ্যকোষে এই তথ্য জনসাধাৰণক প্ৰদান কৰিব পাৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে ১০ বছৰ মন্ত্ৰী হৈ থাকোতে তেখেতে যিটো কাম কৰিব নোৱাৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সেই

কাম সম্ভৱ কৰি তুলিলে। ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে শ্বহীদ তথা জনসাধাৰণৰ আশীৰ্বাদ লাভ কৰিব বুলিও তেওঁ কয়। অসমৰ স্বাৰ্থ পৰিপন্থী আই এম ডি টি আইন বাতিলৰ দিশত লোৱা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নাম অসমৰ বুকুত সদায়ে সোণালী আখৰেৰে জিলিকি থাকিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে নিজে অসম চুক্তি ৰূপায়ণ বিভাগটোৰ দায়িত্ব লৈ এতিয়ালৈকে এই দিশত বিশেষ সফলতা লাভ কৰিছে বুলিও তেওঁ কয়। নিৰ্মাণ হ'বলগীয়া শ্বহীদ স্মাৰক আৰু শ্বহীদ উদ্যানখন আন্তৰ্জাতিক পৰ্যটনৰ এক ক্ষেত্ৰলৈ ৰূপান্তৰ হ'ব বুলিও তেওঁ কয়।

অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাইও ভাষণ প্ৰদান কৰে।

মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**১০/১২/২০২০**